ৰাষ্ট্ৰসংঘ

# মহিলাৰ বিৰুদ্ধে সকলো প্ৰকাৰৰ বৈষম্যমূলক আচৰণ বিলোপকৰণ চুক্তি (চিদ')

www.northeastnetwork.org


নৰ্থ ইষ্ট নেটৱৰ্কৰ কাৰ্য্যালয়

মেঘালয় ঃ
বিমচ্ এণ্ড কোটেজ, জিনকিয়েন, নংথিমাই,
শ্বিলং - ৭৯৩০১৪, মেঘালয়
ফোন ঃ ৯১ ০৩৬৪ ২৫২০৭৫০,
টেলিফেক্স ঃ ৯১ ০৩৬৪ ২৫২১২২১
ইমেইল ঃ
meghalaya@northeastnetwork.org

নাগালেণ্ড ঃ
এন. ই. এন. ৰিচাৰ্চ চেণ্টাৰ,
চিজামি - ৭৯৭১০২,
জিলা ঃ ফেক, নাগালেণ্ড
ফোন ঃ ৯১ ০৩৮৬৫ - ২৮১০৬৩
ইমেইল ঃ
nchizami@yahoo.co.uk

দিল্লী ঃ
২৬৭ - এ গুলমোহৰ এভিনিউ,
জামিয়া নগৰ,
নিউ দিল্লী - ১১০০২৫
ফোন ঃ ০১১ ২৬৩১২৩৫৫,
টেলিফেক্স ঃ ০১১ ২৬৩১২৩৫৫
ইমেইল ঃ nen@northeastnetwork.org


UNITED NATIONS

## Convention on the Elimination of all Forms of Discrimination Against Women (CEDAW)

ৰাষ্ট্ৰসংঘ

# মহিলাৰ বিৰুদ্ধে সকলো প্ৰকাৰৰ বৈষম্যমূলক আচৰণ বিলোপকৰণ চুক্তি (চিদ’)

UNITED NATIONS

# Convention on the Elimination of all Forms of Discrimination Against Women (CEDAW)

অনুবাদ আৰু বিতৰণ ঃ
© নৰ্থ ইষ্ট নেটৱৰ্ক
জে এন বৰুৱা লেন,
যোৰপুখুৰী, গুৱাহাটী - ৭৮১ ০০১
ফোন ঃ +৯১ ৩৬১ ২৬০৩৮৩৩ / ৯৪৩৫০ ১৭৮২৪
ফেক্স ঃ +৯১ ৩৬১ ২৬৩১৫৮২
ইমেইল ঃ assamnen@yahoo.co.uk

প্ৰথম মুদ্ৰণ ঃ জুলাই, ২০১৩

ৰাষ্ট্ৰসংঘৰ সাধাৰণ পৰিষদৰ সিদ্ধান্তমৰ্মে (৩৪/১৮০) ১৯৭৯ চনৰ ১৮ ডিচেম্বৰত চুক্তিখন গ্ৰহণ কৰা হয় তথা স্বাক্ষৰ, অনুমোদন আৰু প্ৰয়োগৰ বাবে মুকলি কৰা হয় আৰু অনুচ্ছেদ ২৭(১)-ৰ সৈতে একেলগে ১৯৮১ চনৰ ৩ চেপ্তেম্বৰত কাৰ্যকৰী কৰা হয়।

## চুক্তিখনৰ পূৰ্ণ পাঠ

বৰ্তমানৰ চুক্তিখনত স্বাক্ষৰকাৰী সদস্য ৰাষ্ট্ৰসমূহে —

❖ ৰাষ্ট্ৰসংঘৰ ঘোষণাপত্ৰত থকা মৌলিক মানৱ অধিকাৰ, প্ৰতিজন মানুহৰ মৰ্যাদা আৰু মানৱীয় প্ৰমূল্য আৰু নাৰী-পুৰুষৰ সম অধিকাৰৰ প্ৰতি দৃঢ় বিশ্বাস নিশ্চিত কৰে।

❖ মানৱ অধিকাৰৰ সাৰ্বজনীন ঘোষণালৈ লক্ষ্য ৰাখি বৈষম্যৰ নীতি দৃঢ়ভাৱে অগ্ৰাহ্য কৰে আৰু ঘোষণা কৰে যে সকলো মানুহ স্বাধীন হৈ জন্ম গ্ৰহণ কৰে আৰু মৰ্যাদা আৰু অধিকাৰ লাভত সকলো সমান। সেয়েহে লিংগ বৈষম্যৰ লগতে আন কোনোধৰণৰ বৈষম্য নৰখাকৈ সকলো মানুহ সকলো ধৰণৰ অধিকাৰ আৰু স্বাধীনতাৰ সমান দাবীদাৰ।

❖ মানৱ অধিকাৰৰ আন্তৰ্জাতিক চুক্তিখন গ্ৰহণ কৰি সদস্য ৰাষ্ট্ৰসমূহে সকলো ধৰণৰ অৰ্থনৈতিক, সামাজিক, সাংস্কৃতিক, নাগৰিক আৰু ৰাজনৈতিক অধিকাৰ লাভ কৰাৰ ক্ষেত্ৰত নাৰী আৰু পুৰুষৰ সম অধিকাৰ নিশ্চিত কৰিবলৈ দায়িত্ব লৈছে।

❖ নাৰী-পুৰুষৰ অধিকাৰৰ সমতাক উদগণি জনাবলৈ ৰাষ্ট্ৰসংঘ আৰু তাৰ বিশিষ্ট সংস্থাসমূহৰ তত্বাৱধানত নিৰ্ধাৰিত আন্তৰ্জাতিক চুক্তিসমূহ স্বীকাৰ কৰে।

❖ নাৰী-পুৰুষৰ মাজত সমতাৰ অধিকাৰক উৎসাহ জনাবলৈ ৰাষ্ট্ৰসংঘ আৰু বিশেষ সংস্থাসমূহে গ্ৰহণ কৰা সিদ্ধান্ত, অধিসূচনা আৰু পৰামৰ্শসমূহ গ্ৰহণ কৰে আৰু এই সকলো উপকৰণ থকা সত্বেও এতিয়াও মহিলাৰ প্ৰতি বৈষম্য ব্যাপক হাৰত চলি আছে বুলি মানি লয়।

❖ এই ৰাষ্ট্ৰসমূহে মনত ৰাখিব যে মহিলাৰ প্ৰতি কৰা বৈষম্যই সম-অধিকাৰৰ নীতি আৰু মানৱীয় প্ৰমূল্যৰ মৰ্যাদা হানি কৰে। এই বৈষম্যই মহিলাসকলক নিজৰ দেশৰ সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক আৰু সাংস্কৃতিক ক্ষেত্ৰত পুৰুষৰ সমানে ভাগ লোৱাত বাধা প্ৰদান কৰে, সমাজৰ উৎকৰ্ষ আৰু পাৰিবাৰিক উন্নতিৰ বাটত হেঙাৰ হয় আৰু মানৱতা আৰু দেশৰ সেৱাত অংশগ্ৰহণ কৰিবলৈ মহিলাৰ শক্তিৰ সম্পূৰ্ণ বিকাশ বেছি কঠিন কৰি তোলে।

❖ ৰাষ্ট্ৰসমূহে এই কথা মানে যে দৰিদ্ৰতাৰ পৰিস্থিতিত মহিলাসকলে খাদ্য, স্বাস্থ্য, শিক্ষা, প্ৰশিক্ষণ, উপাৰ্জনৰ



সুবিধা আৰু অন্যান্য প্ৰয়োজনীয় সুবিধাসমূহ খুব কমেইহে লাভ কৰে।

❖ সমতা আৰু ন্যায়ৰ ভিত্তিত স্থাপিত নতুন আন্তৰ্জাতিক অৰ্থনৈতিক নীতিয়ে উল্লেখযোগ্যভাৱে মহিলা আৰু পুৰুষৰ মাজত সমতা স্থাপনত গুৰুত্বপূৰ্ণ অৰিহণা যোগাব বুলি ৰাষ্ট্ৰসমূহে বিশ্বাস কৰে।

❖ মহিলা আৰু পুৰুষৰ সম্পূৰ্ণ সম অধিকাৰ লাভ কৰিবলৈ বৰ্ণবৈষম্য, সকলোধৰণৰ জাত-পাত ব্যৱস্থা, জাতি-ভেদ নীতি, ঔপনিৱেশবাদ, নব্য-ঔপনিৱেশবাদ, আগ্ৰাসন, বিদেশী আধিপত্য আৰু দমন তথা ৰাষ্ট্ৰৰ আভ্যন্তৰীণ বিষয়ত বিদেশী হস্তক্ষেপ বাতিল কৰাটো প্ৰয়োজনীয় বুলি জোৰ দিয়ে।

❖ আন্তৰ্জাতিক শান্তি আৰু নিৰাপত্তা শক্তিশালীকৰণ, আন্তৰ্জাতিক অস্থিৰতাৰ উপশম, সামাজিক আৰু অৰ্থনৈতিক ব্যৱস্থাৰ ভেদভাব নৰখাকৈ সকলো ৰাষ্ট্ৰৰ মাজত পাৰস্পৰিক সহযোগ, সম্পূৰ্ণৰূপে নিৰস্ত্ৰীকৰণ আৰু বিশেষকৈ কঠোৰ আৰু প্ৰভাৱশালী আন্তৰ্জাতিক নিয়ন্ত্ৰণত থকা নিউক্লীয় নিৰস্ত্ৰীকৰণ, ন্যায়ৰ নীতি আৰু দেশসমূহৰ সম্বন্ধৰ মাজত সমতা আৰু পাৰস্পৰিক

লাভালাভ নিশ্চিতকৰণ আৰু বিদেশী আৰু ঔপনিৱেশিক দমন আৰু বৈদেশিক অধিগ্ৰহণৰ অধীনত থকা দেশৰ জনগণৰ আত্মনিৰ্ণয়, স্বাধীনতাৰ অধিকাৰৰ উপলব্ধিৰ লগতে ৰাষ্ট্ৰীয় স্বাধীনতাৰ প্ৰতি সন্মান আৰু ভৌগোলিক অখণ্ডতাই সামাজিক প্ৰগতি আৰু বিকাশত উদগণি জনাব আৰু ইয়াৰ পৰিণতিস্বৰূপে মহিলা-পুৰুষৰ মাজত সম্পূৰ্ণ সমানাধিকাৰ লাভত সহায় হ'ব বুলি বিশ্বাস ৰাখে।

❖ এখন দেশৰ সামগ্ৰিক উন্নয়ন, জগতৰ কল্যাণ আৰু শান্তিৰ বাবে সকলো ক্ষেত্ৰতে পুৰুষৰ সমানে মহিলায়ো বেছিকৈ অংশগ্ৰহণ কৰিব লাগিব সেই কথাটোত সহমত পোষণ কৰে।

❖ এই কথাটো লক্ষ্য ৰাখে যে, পৰিয়ালৰ কল্যাণ আৰু সমাজৰ বিকাশত থকা মহিলাৰ মহৎ অবদানক কিন্তু এতিয়ালৈকে কোনো স্বীকৃতি দিয়া হোৱা নাই। সেয়ে, মাতৃত্বৰ সামাজিক মহত্ব আৰু পৰিয়াল তথা সন্তান প্ৰতিপালনত পিতৃ-মাতৃ দুয়োজনৰে ভূমিকা, আৰু মহিলাৰ প্ৰজনন ক্ষমতাক বৈষম্যৰ আধাৰ বুলি ভাবিব নালাগিব। সন্তানৰ প্ৰতিপালন আৰু বিকাশত পুৰুষ আৰু মহিলাৰ লগতে গোটেই সমাজখনৰে অংশীদাৰী দায়িত্বৰ প্ৰয়োজন।



❖ এই কথা জানে যে, সমাজত নাৰী-পুৰুষৰ সম্পূৰ্ণ সমতা লাভ কৰিবলৈ সমাজ আৰু পৰিয়ালত নাৰী আৰু পুৰুষৰ পৰম্পৰাগত ভূমিকা সলনি কৰিব লাগিব।

❖ মহিলাৰ বিৰুদ্ধে সকলো প্ৰকাৰৰ বৈষম্যমূলক আচৰণ বিলোপকৰণ চুক্তিত নিৰ্ধাৰিত কৰা সিদ্ধান্তসমূহ কাৰ্যকৰী কৰিবলৈ সকলো ধৰণৰ বৈষম্যৰ বিলোপ সাধনৰ বাবে সকলো প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ সংকল্পবদ্ধ থাকিব।

ইয়াৰ বাবে তেওঁলোকে তলৰ অনুচ্ছেদ সমূহ পালন কৰিবলৈ সন্মত হৈছে।

## প্ৰথম ভাগ

**অনুচ্ছেদ ১**

এই চুক্তিত, "মহিলাৰ বিৰুদ্ধে বৈষম্য" বুলিলে বুজিব লাগিব যে বৈবাহিক স্থিতি নিৰ্বিশেষে, মহিলা-পুৰুষৰ সমতাৰ ভিত্তিত লিংগ ভিত্তিক যিকোনো পাৰ্থক্য, বঞ্চনা অথবা বিধিনিষেধ যাৰ উদ্দেশ্য মহিলাৰ মানবাধিকাৰ আৰু ৰাজনৈতিক, অৰ্থনৈতিক, সামাজিক, সাংস্কৃতিক, নাগৰিক অথবা অন্য যিকোনো ক্ষেত্ৰতে মৌলিক স্বাধীনতাক স্বীকাৰ কৰি নোলোৱা, তাক উপভোগ কৰা বা প্ৰয়োগ কৰাত বিঘিনি ঘটোৱা বা শেষ কৰা।

**অনুচ্ছেদ ২**

চিদ' চুক্তিৰ সদস্য ৰাষ্ট্ৰসমূহে মহিলাৰ বিৰুদ্ধে সকলো প্ৰকাৰৰ বৈষম্যমূলক আচৰণৰ নিন্দা কৰে আৰু উপযুক্ত সকলো উপায়েৰে আৰু অবিলম্বে মহিলাৰ বিৰুদ্ধে বৈষম্য দূৰীকৰণৰ এটি নীতি অনুসৰণ কৰিবলৈ সন্মত হয়। এই লক্ষ্যৰে তেওঁলোকে কৰা অংগীকাৰ সমূহ হ'ল ঃ

ক) পুৰুষ আৰু মহিলাৰ সমতাৰ নীতি তেওঁলোকৰ ৰাষ্ট্ৰীয় সংবিধান অথবা অন্য কোনো উপযুক্ত আইনত



ইতিমধ্যেই যদি অন্তৰ্ভুক্ত নোহোৱাকৈ আছে তেন্তে সেয়া অন্তৰ্ভুক্ত কৰা আৰু আইন বা অন্যান্য উপযুক্ত উপায়েৰে এই নীতিৰ প্ৰকৃত বাস্তৱায়ন নিশ্চিত কৰা;

খ) মহিলাৰ বিৰুদ্ধে সকলো ধৰণৰ বৈষম্যমূলক আচৰণ নিষিদ্ধ কৰি উপযুক্ত ক্ষেত্ৰত আইন মানিবলৈ বাধ্য কৰাৰ ব্যৱস্থাসহ যথোপযুক্ত আইনগত আৰু অন্যান্য ব্যৱস্থা গ্ৰহণ কৰা;

গ) পুৰুষৰ সৈতে সমতাৰ ভিত্তিত মহিলাৰ অধিকাৰসমূহৰ সুৰক্ষা আইনগতভাৱে প্ৰতিষ্ঠা কৰা আৰু উপযুক্ত ৰাষ্ট্ৰীয় আদালত আৰু অন্যান্য সাৰ্বজনিক প্ৰতিষ্ঠানৰ মাধ্যমেৰে যিকোনো বৈষম্যমূলক আচৰণৰ পৰা মহিলাক ৰক্ষা কৰা কাৰ্যকৰীভাৱে নিশ্চিত কৰা;

ঘ) মহিলাৰ বিৰুদ্ধে বৈষম্যমূলক যিকোনো কামত নিয়োজিত হোৱাৰ পৰা বিৰত থকা আৰু চৰকাৰী কৰ্তৃপক্ষ আৰু প্ৰতিষ্ঠানসমূহে যাতে এই দায়িত্ব অনুসৰি কাম কৰে সেয়া নিশ্চিত কৰা;

ঙ) কোনো ব্যক্তি, সংগঠন অথবা প্ৰতিষ্ঠানে মহিলাৰ বিৰুদ্ধে কৰা বৈষম্যমূলক আচৰণক নিৰ্মূল কৰিবলৈ সকলো ধৰণৰ উপযুক্ত পদক্ষেপ গ্ৰহণ কৰা;

চ) প্ৰচলিত যিবোৰ আইন, বিধি, ৰীতি-নীতি আৰু আচৰণে মহিলাৰ বিৰুদ্ধে বৈষম্যমূলক আচৰণ সৃষ্টি কৰে সেয়া সংশোধন অথবা সমাপ্ত কৰাৰ উদ্দেশ্যে আইন প্ৰণয়নসহ সকলো উপযুক্ত পদক্ষেপ গ্ৰহণ কৰা;

ছ) যিবিলাক ৰাষ্ট্ৰীয় দণ্ড-বিধানে মহিলাৰ বিৰুদ্ধে বৈষম্যমূলক আচৰণ সৃষ্টি কৰে, সেইবিলাক বাতিল কৰা।

**অনুচ্ছেদ ৩**

সদস্য ৰাষ্ট্ৰসমূহে মহিলাক পুৰুষৰ সৈতে সমতাৰ ভিত্তিত মানৱাধিকাৰ আৰু মৌলিক অধিকাৰসমূহ প্ৰয়োগ আৰু ভোগ কৰাত নিশ্চয়তা প্ৰদানৰ উদ্দেশ্যে সকলো ক্ষেত্ৰতে বিশেষকৈ ৰাজনৈতিক, সামাজিক, অৰ্থনৈতিক আৰু সাংস্কৃতিক ক্ষেত্ৰত মহিলাৰ পূৰ্ণ উন্নয়ন আৰু বিকাশ নিশ্চিত কৰিবলৈ আইন প্ৰণয়নসহ সকলোবোৰ উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিব।

**অনুচ্ছেদ** ৪

১) পুৰুষ আৰু মহিলাৰ মাজত সমতা ত্বৰান্বিত কৰাৰ লক্ষ্যৰে সদস্য ৰাষ্ট্ৰসমূহে কোনো অস্থায়ী বিশেষ ব্যৱস্থা



গ্ৰহণ কৰিলে সি এই চুক্তিত বৰ্ণিত সংজ্ঞা অনুযায়ী বৈষম্য হিচাপে বিবেচনা কৰা নহ'ব। অৱশ্যে এই ব্যৱস্থা গ্ৰহণৰ পৰিণামে কোনোমতেই অসমানতা অথবা পৃথক স্তৰৰ পোষকতা কৰিব নোৱাৰিব। সমান সুযোগ আৰু ব্যৱহাৰৰ লক্ষ্যত উপনীত হ'লে এইবোৰ ব্যৱস্থা ৰদ কৰা হ'ব।

২) সদস্য ৰাষ্ট্ৰসমূহে মাতৃত্ব সুৰক্ষাৰ লক্ষ্যত এই চুক্তিত বৰ্ণিত ব্যৱস্থাসহ কোনো বিশেষ ব্যৱস্থা গ্ৰহণ কৰিলে সেয়া বৈষম্যমূলক বুলি বিবেচিত নহ'ব।

**অনুচ্ছেদ ৫**

সদস্য ৰাষ্ট্ৰসমূহে নিম্ন উল্লেখিত বিষয়ত সকলো ধৰণৰ উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিব,

ক) লৈংগিক বিচাৰেৰে শ্ৰেষ্ঠতা বা হীনতা অথবা পাৰম্পৰিকভাৱে নিৰ্ধাৰিত মহিলা-পুৰুষৰ ভূমিকাৰ ভিত্তিত যিবিলাক কুসংস্কাৰ, প্ৰথা আৰু অভ্যাস গঢ় লৈ উঠিছে সেইবিলাক দূৰ কৰাৰ লক্ষ্যত মহিলা আৰু পুৰুষৰ সামাজিক আৰু সাংস্কৃতিক আচৰণৰ ধৰণ পৰিৱৰ্তন কৰা।

খ) মাতৃত্বক এটা সামাজিক কাম হিচাপে যথাযথভাৱে বিবেচনা কৰা আৰু সকলো ক্ষেত্ৰতে শিশুৰ স্বাৰ্থই মূল বিবেচ্য বিষয় -- এই কথা মনত ৰাখি সন্তান-সন্ততি লালন-পালন আৰু উন্নয়নত পুৰুষ আৰু মহিলাৰ উমৈহতীয়া দায়িত্বৰ স্বীকৃতিৰ বিষয়টো যাতে পাৰিবাৰিক শিক্ষাত অন্তৰ্ভুক্ত কৰা হয়, সেয়া নিশ্চিত কৰা।

**অনুচ্ছেদ ৬**

সদস্য ৰাষ্ট্ৰসমূহে মহিলাক লৈ চলি থকা সকলো ধৰণৰ অবৈধ দেহ ব্যৱসায় আৰু বেশ্যাবৃত্তিৰ শোষণক শেষ কৰাৰ কাৰণে আইন প্ৰণয়নসহ সকলো উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিব।



# দ্বিতীয় ভাগ

**অনুচ্ছেদ ৭**

সদস্য ৰাষ্ট্ৰসমূহে দেশৰ ৰাজনৈতিক আৰু জনজীৱনত মহিলাৰ প্ৰতি বৈষম্যমূলক আচৰণ দূৰীকৰণত সকলো উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিব আৰু নিম্নোলিখিত ক্ষেত্ৰসমূহত বিশেষকৈ পুৰুষৰ সৈতে সমানে মহিলাৰ অধিকাৰ নিশ্চিত কৰিব ঃ

ক) সকলো নিৰ্বাচন আৰু গণভোটত ভোটদান আৰু জনগণৰ দ্বাৰা নিৰ্বাচিত সংস্থা সমূহৰ নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিবলৈ উপযুক্ত বিবেচিত হোৱা;

খ) চৰকাৰী নীতি প্ৰণয়ন আৰু সেয়া কাৰ্যকৰী কৰণত অংশগ্ৰহণ আৰু চৰকাৰী পদত অধিষ্ঠিত হোৱা আৰু সকলো পৰ্যায়ৰ চৰকাৰী কামকাজ সম্পাদন;

**অনুচ্ছেদ ৮**

সদস্য ৰাষ্ট্ৰসমূহে পুৰুষৰ সৈতে সমচৰ্তত আৰু কোনো বৈষম্য নৰখাকৈ মহিলাৰ কাৰণে আন্তৰ্জাতিক পৰ্যায়ত নিজ নিজ চৰকাৰৰ প্ৰতিনিধিত্ব কৰাৰ সুযোগ আৰু আন্তৰ্জাতিক

সংস্থাসমূহৰ কামকাজত অংশগ্ৰহণ নিশ্চিত কৰিবলৈ সকলো উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিব।

**অনুচ্ছেদ ৯**

১) সদস্য ৰাষ্ট্ৰসমূহে ৰাষ্ট্ৰীয়তা(নাগৰিকত্ব) গ্ৰহণ, পৰিৱৰ্তন অথবা তাক বাহাল ৰাখিবলৈ মহিলাক পুৰুষৰ সমান অধিকাৰ প্ৰদান কৰিব। এজন বিদেশীৰ সৈতে বিবাহ অথবা বিবাহৰ পিছত স্বামীৰ নাগৰিকত্ব পৰিৱৰ্তনৰ ফলত স্বাভাৱিক পৰিণতি হিচাপে স্ত্ৰীৰ নাগৰিকত্ব পৰিৱৰ্তিত নহ'ব, তেওঁক নাগৰিকত্বহীন নকৰিব অথবা স্বামীৰ নাগৰিকত্ব গ্ৰহণ কৰিবলৈ তেওঁক বাধ্য কৰা নহ'ব। এই বিষয়সমূহ ৰাষ্ট্ৰসমূহে বিশেষভাৱে নিশ্চিত কৰিব।

২) সদস্য ৰাষ্ট্ৰসমূহে নিজৰ সন্তানৰ নাগৰিকত্বৰ ক্ষেত্ৰত মহিলাক পুৰুষৰ দৰেই সমান অধিকাৰ প্ৰদান কৰিব।



# তৃতীয় ভাগ

**অনুচ্ছেদ ১০**

শিক্ষাৰ ক্ষেত্ৰত পুৰুষ আৰু মহিলাৰ সমান অধিকাৰ নিশ্চিত কৰাৰ লক্ষ্যত সদস্য ৰাষ্ট্ৰসমূহে মহিলাৰ বিৰুদ্ধে বৈষম্যমূলক আচৰণ দূৰীকৰণৰ কাৰণে সকলো প্ৰকাৰৰ উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিব। এই বিষয়সমূহ হ'ল --

ক) পেছা আৰু বৃত্তিমূলক নিৰ্দেশনাৰ সমান চৰ্ত, গাঁও আৰু চহৰাঞ্চলত সকলো ধৰণৰ শিক্ষাপ্ৰতিষ্ঠানত শিক্ষা গ্ৰহণ আৰু ডিপ্লোমা লাভৰ সুযোগৰ কাৰণে একেই চৰ্তাৱলী; প্ৰাক্-প্ৰাথমিক শিক্ষা, সাধাৰণ শিক্ষা, কাৰিকৰী শিক্ষা, পেছাগত আৰু উচ্চতৰ কাৰিকৰী শিক্ষা, তাৰ লগতে সকলো ধৰণৰ বৃত্তিমূলক প্ৰশিক্ষণত এই সমতা নিশ্চিত কৰা;

খ) একে পাঠ্যক্ৰম, সমান পৰীক্ষা, সমস্তৰৰ আৰু সম যোগ্যতাৰ শিক্ষক তথা সমান গুণসম্পন্ন বিদ্যালয় চৌহদ আৰু একেধৰণৰ সঁজুলিৰ সুলভতা;

গ) সকলো স্তৰতে পুৰুষ আৰু নাৰীৰ ভূমিকা সম্পৰ্কে থকা যিকোনো চিৰাচৰিত ধাৰণা দূৰীকৰণ আৰু সকলো

প্ৰকাৰৰ শিক্ষাতে সহশিক্ষা আৰু অন্য ধৰণৰ শিক্ষা যি সেই চিৰাচৰিত ধাৰণা নিৰ্মূল কৰাত সহায় কৰিব তাক উৎসাহিত কৰা। ইয়াৰ কাৰণে বিশেষকৈ পাঠ্যপুঠি আৰু বিদ্যালয়ৰ কৰ্মসূচী সংশোধন আৰু শিক্ষাপদ্ধতিৰ পৰিৱৰ্তন;

ঘ) ছাত্ৰবৃত্তি আৰু অন্যান্য শিক্ষা মঞ্জুৰীৰ পৰা লাভৱান হোৱাত সমান সুযোগ প্ৰদান;

ঙ) বয়স্ক আৰু কৰ্মমূলক শিক্ষা কৰ্মসূচীসহ শিক্ষা অব্যাহত ৰখাৰ কৰ্মসূচী, বিশেষকৈ পুৰুষ আৰু মহিলাৰ মাজত শিক্ষাক্ষেত্ৰত বিৰাজমান যিকোনো দূৰত্ব অতি কম সময়ৰ মাজেৰে কমাই অনাৰ লক্ষ্যত প্ৰণীত কৰ্মসূচীসমূহত সুযোগ লাভৰ সমান সুবিধা প্ৰদান;

চ) ছোৱালীৰ স্কুল ত্যাগৰ হাৰ কমোৱা আৰু যিবিলাক কিশোৰী আৰু মহিলাই নিৰ্দিষ্ট সময়ৰ আগেয়েই পঢ়া এৰিছে, তেওঁলোকৰ কাৰণে বিভিন্ন কাৰ্যসূচীৰ আয়োজন;

ছ) খেলাধূলা আৰু শাৰীৰিক শিক্ষাত সক্ৰিয়ভাৱে অংশগ্ৰহণৰ কাৰণে সমান সুযোগ প্ৰদান;



জ) পৰিয়াল পৰিকল্পনা সম্পৰ্কীয় তথ্য আৰু পৰামৰ্শসহ পৰিয়ালৰ স্বাস্থ্য আৰু কল্যাণ নিশ্চিত কৰাত সহায় কৰাৰ উদ্দেশ্যেৰে নিৰ্দিষ্ট শিক্ষামূলক কাৰ্যক্ৰমৰ সুবিধা।

**অনুচ্ছেদ ১১**

১) পুৰুষ আৰু মহিলাৰ সমতাৰ ভিত্তিত নিয়োগৰ ক্ষেত্ৰত মহিলাৰ প্ৰতি বৈষম্যমূলক আচৰণ দূৰ কৰিবলৈ সকলো প্ৰকাৰৰ ব্যৱস্থা ল'ব। তলত উল্লেখিত অধিকাৰসমূহত মহিলাই সমতা লাভ কৰিব ঃ

ক) সকলো মানুহৰ মৌলিক কৰ্মসংস্থানৰ অধিকাৰ;

খ) কৰ্মত নিয়োগৰ ক্ষেত্ৰত বাচনিৰ একে মান প্ৰয়োগ কৰি একেই নিয়োগ সুবিধা পোৱাৰ অধিকাৰ;

গ) পেছা আৰু চাকৰি স্বাধীনভাৱে নিৰ্বাচন কৰাৰ অধিকাৰ; পদোন্নতি, চাকৰিৰ নিৰাপত্তা আৰু চাকৰিৰ সকলো সুবিধা আৰু চৰ্ত ভোগ কৰাৰ অধিকাৰ আৰু শিক্ষানবিচ হিচাপে প্ৰশিক্ষণ, উচ্চতৰ বৃত্তিমূলক প্ৰশিক্ষণ আৰু পুনঃপ্ৰশিক্ষণৰ সৈতে সকলো প্ৰকাৰৰ ব্যৱসায়িক প্ৰশিক্ষণ আৰু পুনঃপ্ৰশিক্ষণ গ্ৰহণৰ অধিকাৰ;

ঘ) কামৰ গুণগত মান মূল্যায়নৰ ক্ষেত্ৰত সমতাৰ লগতে সমান কামৰ বাবে সমান লাভ আৰু সমব্যৱহাৰৰ লগতে সমান পাৰিশ্ৰমিক পোৱাৰ অধিকাৰ;

ঙ) বেতনসহ ছুটি ভোগ কৰাৰ অধিকাৰৰ লগতে বিশেষকৈ অৱসৰ গ্ৰহণ, বেকাৰত্ব, অসুস্থতা, অক্ষমতা আৰু বাৰ্ধক্য আৰু কাম কৰাৰ অন্যান্য অক্ষমতাৰ ক্ষেত্ৰত সামাজিক নিৰাপত্তাৰ অধিকাৰ;

চ) সন্তান জন্মদান প্ৰক্ৰিয়া নিৰাপদে ৰখাসহ স্বাস্থ্যৰক্ষা আৰু কামৰ পৰিৱেশত নিৰাপত্তাৰ অধিকাৰ।

২) বিবাহ অথবা মাতৃত্বৰ কাৰণে মহিলাৰ বিৰুদ্ধে বৈষম্য ৰোধ কৰা আৰু তেওঁলোকৰ কাম কৰাৰ অধিকাৰ নিশ্চিত কৰাৰ লক্ষ্যত সদস্য ৰাষ্ট্ৰসমূহে উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰা বিষয়সমূহ হ'ল ঃ

ক) গৰ্ভধাৰণ অথবা মাতৃত্ব সংক্ৰান্ত ছুটিৰ কাৰণে মহিলাক বৰ্খাস্ত কৰা আৰু বৈবাহিক অৱস্থাৰ ভিত্তিত বৰ্খাস্ত কৰাৰ ক্ষেত্ৰত বৈষম্য বন্ধ কৰা;

খ) পূৰ্বৰ চাকৰি, জ্যেষ্ঠতা অথবা সামাজিক ভাট্টাসমূহ নেহেৰুৱাকৈ সমপৰিমাণৰ সামাজিক ভাট্টাসহ মাতৃত্ব সংক্ৰান্ত ছুটি প্ৰদান কৰা;

গ) বিশেষকৈ এটি শিশু পৰিচৰ্যা সুবিধা নেটৱৰ্কৰ প্ৰতিষ্ঠা আৰু বিকাশক উৎসাহিত কৰি পৰিয়ালৰ দায়িত্বৰ লগতে সামাজিক জীৱনত পিতৃ-মাতৃ দুয়োকে সংযুক্ত দায়িত্ব পালন কৰিবলৈ সক্ষম কৰি তুলিবলৈ আৱশ্যকীয় সামাজিক সেৱাৰ ব্যৱস্থাক উৎসাহিত কৰা;

ঘ) যিবোৰ কাম গৰ্ভাৱস্থাত মহিলাৰ কাৰণে ক্ষতিকৰ বুলি প্ৰমাণিত সেই কামবোৰৰ পৰা গৰ্ভকালত মহিলাক বিশেষভাৱে আঁতৰাই ৰখা।

৩) এই ধাৰাত বৰ্ণিত বিষয়সমূহ সম্পৰ্কে ৰক্ষামূলক আইন, বৈজ্ঞানিক আৰু প্ৰযুক্তিগত জ্ঞানৰ পোহৰত সময়ে সময়ে পৰ্যালোচনা কৰা হ'ব আৰু প্ৰয়োজনমতে সংশোধন, বাতিল অথবা সম্প্ৰসাৰণ কৰা হ'ব।

**অনুচ্ছেদ ১২**

১) পুৰুষ আৰু মহিলাৰ সমতাৰ ভিত্তিত সদস্য ৰাষ্ট্ৰসমূহে মহিলাৰ বিৰুদ্ধে বৈষম্যমূলক আচৰণ দূৰ কৰাৰ কাৰণে

পৰিয়াল পৰিকল্পনাসহ স্বাস্থ্য পৰিচৰ্যামূলক সেৱা মহিলাসকলৰ কাৰণে নিশ্চিতৰূপে সুলভ কৰাৰ লক্ষ্যত সকলো উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিব।

২) এই অনুচ্ছেদৰ পেৰাগ্ৰাফ ১-ৰ উপৰিও সদস্য ৰাষ্ট্ৰসমূহে গৰ্ভাৱস্থাত আৰু শিশুক মাতৃয়ে গাখীৰ খুৱাই থকা সময়ছোৱাত পৰ্যাপ্ত পুষ্টিৰ ব্যৱস্থাৰ লগতে প্ৰয়োজন অনুসৰি গৰ্ভ, প্ৰসৱ আৰু প্ৰসূতিকালত বিনামূল্যে সেৱা প্ৰদান কৰি মহিলাসকলৰ বাবে উপযুক্ত সেৱা প্ৰদান নিশ্চিত কৰিব।

**অনুচ্ছেদ ১৩**

সদস্য ৰাষ্ট্ৰসমূহে পুৰুষ আৰু মহিলাৰ সমতাৰ ভিত্তিত অৰ্থনৈতিক আৰু সামাজিক জীৱনত সমান অধিকাৰ সুনিশ্চিত কৰাৰ লক্ষ্যত, মহিলাৰ বিৰুদ্ধে বৈষম্যমূলক আচৰণ দূৰ কৰাৰ কাৰণে উপযুক্ত সকলোবোৰ ব্যৱস্থা গ্ৰহণ কৰিব। ইয়াৰ লগতে তলত উল্লেখিত অধিকাৰ সমূহৰ ক্ষেত্ৰত সমতা আনিবলৈ সকলো ব্যৱস্থা গ্ৰহণ কৰিব।

ক) পাৰিবাৰিক কল্যাণৰ অধিকাৰ;



খ) বেংক ঋণ, বন্ধক আৰু অন্যান্য আৰ্থিক ঋণ পোৱাৰ অধিকাৰ;

গ) বিনোদনমূলক কামকাজ, খেলাধূলা আৰু সাংস্কৃতিক জীৱনৰ সকলো বিষয়তে অংশগ্ৰহণৰ অধিকাৰ।

**অনুচ্ছেদ ১৪**

১) সদস্য ৰাষ্ট্ৰসমূহে গ্ৰামাঞ্চলৰ মহিলাসকলে সন্মুখীন হোৱা বিশেষ সমস্যাসমূহৰ আৰু পৰিয়ালৰ দৈনন্দিন জীৱনৰ আৰ্থিক কামকাজত তেওঁলোকৰ উল্লেখনীয় ভূমিকাৰ কথা বিবেচনা কৰিব। লগতে, উপাৰ্জন হিচাপে গণ্য নোহোৱা তেওঁলোকৰ আন কামকাজবোৰো বিবেচনালৈ আনিব আৰু গ্ৰামাঞ্চলৰ মহিলাৰ কাৰণে এই চুক্তিৰ বিধান প্ৰয়োগ নিশ্চিত কৰিবলৈ সকলো উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিব।

২) সদস্য ৰাষ্ট্ৰসমূহে, মহিলা-পুৰুষৰ সমতাৰ ভিত্তিত গাঁৱত মহিলাৰ বিৰুদ্ধে বৈষম্য দূৰ কৰি সমতা নিশ্চিত কৰাৰ উদ্দেশ্যেৰে সকলো উপযুক্ত ব্যৱস্থা ল'ব যাতে মহিলাসকলে গাঁও উন্নয়নত অংশ ল'ব পাৰে আৰু লাভবান হ'ব পাৰে। ইয়াৰ বাবে তলত উল্লেখ কৰা অধিকাৰসমূহ তেওঁলোকৰ বাবে সুনিশ্চিত কৰা হ'বঃ

ক) সকলো পৰ্যায়ত উন্নয়ন পৰিকল্পনাৰ সম্প্ৰসাৰণ আৰু বাস্তৱায়নত অংশগ্ৰহণ কৰা;

খ) পৰিয়াল পৰিকল্পনাৰ বিষয়ে তথ্য, পৰামৰ্শ আৰু সেৱালাভসহ পৰ্যাপ্ত স্বাস্থ্য সেৱাৰ সুবিধা লাভৰ সুযোগ পোৱা;

গ) সামাজিক নিৰাপত্তা কৰ্মসূচীৰ পৰা পোণপটীয়াকৈ লাভবান হোৱা;

ঘ) মহিলাৰ কাৰিকৰী কুশলতা বঢ়াবৰ কাৰণে সকলো সামাজিক আৰু বিস্তাৰিত সেৱাৰ সুবিধা লাভৰ লগতে সকলো ধৰণৰ প্ৰশিক্ষণ আৰু ব্যৱহাৰিক অথবা অ-ব্যৱহাৰিক শিক্ষা তথা কাৰ্যকৰী সাক্ষৰতা প্ৰাপ্তি

ঙ) কৰ্মসংস্থান অথবা স্ব-কৰ্মসংস্থানৰ মাধ্যমেৰে সমান অৰ্থনৈতিক সুবিধা লাভৰ কাৰণে আত্মসহায়ক গোট অথবা সমবায় স্থাপন কৰা;

চ) সকলো সামাজিক কামকাজত অংশগ্ৰহণ কৰা;

ছ) কৃষি ঋণ আৰু অন্যান্য ঋণ, বাণিজ্যৰ সুবিধা আৰু উপযুক্ত প্ৰযুক্তি লাভৰ সুযোগ পোৱা; ভূমি আৰু



কৃষি সংস্কাৰৰ লগতে ভূমি পুনৰ বন্টন আঁচনিৰ ক্ষেত্ৰত সমান অধিকাৰ লাভ কৰা;

জ) বিশেষকৈ আবাস, অনাময় ব্যৱস্থা, বিদ্যুত আৰু পানী সৰবৰাহ, পৰিবহন আৰু যোগাযোগৰ ক্ষেত্ৰত পৰ্যাপ্ত বসবাসৰ সুবিধা উপভোগ কৰা।

# চতুৰ্থ ভাগ

**অনুচ্ছেদ ১৫**

১) সদস্য ৰাষ্ট্ৰসমূহে আইনৰ দৃষ্টিত পুৰুষ-মহিলাক সমান বুলি বিবেচনা কৰিব।

২) সদস্য ৰাষ্ট্ৰসমূহে দেৱানী বিষয়ত মহিলাক পুৰুষৰ সমানে আইনী অধিকাৰ প্ৰদান কৰিব আৰু সেই অধিকাৰ প্ৰয়োগৰ কাৰণে সমান সুযোগ দিব। বিশেষকৈ এই ৰাষ্ট্ৰসমূহে মহিলাক চুক্তি সম্পাদন আৰু সম্পত্তিৰ চোৱাচিতাৰ বিষয়ত সমান অধিকাৰ দিব আৰু আদালত আৰু ট্ৰাইবুনেলৰ কামৰ সকলো স্তৰত তেওঁলোকৰ সৈতে সম-ব্যৱহাৰ কৰিব।

৩) সদস্য ৰাষ্ট্ৰসমূহ এইবিষয়ত একমত যে, মহিলাৰ বৈধ ক্ষমতা সংকুচিত কৰাৰ কাৰণে প্ৰণীত আইন ভিত্তিক সকলোবোৰ চুক্তি আৰু যিকোনো ধৰণৰ ব্যক্তিগত দলিল বাতিল কৰিব।

৪) সদস্য ৰাষ্ট্ৰসমূহে নাগৰিকৰ যাতায়ত, আবাসস্থল আৰু বসতি স্থাপনৰ ঠাই বাচি লোৱাৰ বিষয়ত তেওঁলোকৰ স্বাধীনতা সম্পৰ্কীয় আইনৰ ক্ষেত্ৰত পুৰুষ আৰু মহিলাক সম অধিকাৰ দিব।



**অনুচ্ছেদ ১৬**

১) সদস্য ৰাষ্ট্ৰসমূহে বিবাহ আৰু পাৰিবাৰিক সম্পৰ্কীয় সকলো বিষয়তে মহিলাৰ বিৰুদ্ধে বৈষম্যমূলক আচৰণ দূৰীকৰণত সকলো ধৰণৰ উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিব আৰু মহিলা-পুৰুষৰ সমতাৰ ভিত্তিত তলত উল্লেখিত বিষয়সমূহ সুনিশ্চিত কৰিব ঃ

ক) বিবাহপাশত আবদ্ধ হোৱাৰ কাৰণে সমান অধিকাৰ;

খ) স্বাধীনভাৱে স্বামী/স্ত্ৰী হিচাপে সংগী নিৰ্বাচন কৰাৰ আৰু তেওঁলোকে স্বাধীনভাৱে আৰু পূৰ্ণসন্মতিত বিবাহ পাশত আবদ্ধ হোৱাৰ বাবে সমান অধিকাৰ;

গ) বিবাহ আৰু পিছত বিচ্ছেদৰ সময়ত সমান অধিকাৰ আৰু দায়িত্ব;

ঘ) তেওঁলোকৰ বৈবাহিক অৱস্থা নিৰ্বিশেষে, তেওঁলোকৰ সন্তান-সন্ততিৰ জীৱনৰ বিষয়ত পিতৃ-

মাতৃ হিচাপে সমান অধিকাৰ আৰু দায়িত্ব থাকিব। সকলো ক্ষেত্ৰতে সন্তানৰ স্বাৰ্থই হ'ব সকলোতকৈ গুৰুত্বপূৰ্ণ বিষয়;

ঙ) তেওঁলোকৰ কেইটা সন্তান হ'ব বা সন্তান জন্ম দিয়াৰ মাজত বিৰতি কিমান হ'ব সেইবিষয়ে স্বাধীনভাৱে আৰু দায়িত্বৰ সৈতে সিদ্ধান্ত গ্ৰহণৰ সমান অধিকাৰ আৰু বিভিন্ন অধিকাৰ প্ৰয়োগত সক্ষমতা অৰ্জনৰ কাৰণে তথ্য, শিক্ষা আৰু উপায় লাভৰ সমান অধিকাৰ;

চ) অভিভাৱকত্ব, প্ৰতিপালকত্ব, ন্যাসৰক্ষিতা আৰু তোলনীয়া সন্তান গ্ৰহণ অথবা অনুৰূপ বিষয়ত, য'ত ৰাষ্ট্ৰীয় আইনত এই ধাৰণাসমূহ বিৰাজমান তাত সমান অধিকাৰ আৰু দায়িত্ব; সকলো ক্ষেত্ৰতে শিশুৰ স্বাৰ্থই হ'ব সকলোতকৈ গুৰুত্বপূৰ্ণ।

ছ) পতি-পত্নীৰ ৰূপত পাৰিবাৰিক নাম, জীৱিকা আৰু পেছাৰ নিৰ্বাচনৰ লগতে সমান ব্যক্তিগত অধিকাৰ;

জ) বিনামূল্যত অথবা মূল্যৰ বিনিময়ত সম্পত্তিৰ মালিকানা, অধিগ্ৰহণ, ব্যৱস্থা গ্ৰহণ, পৰিচালনা,



ভোগ আৰু নিষ্পত্তিৰ ক্ষেত্ৰত পতি-পত্নী দুয়োৰে সমান অধিকাৰ;

২) শিশুকালৰ বাগদান বা বাল্যবিবাহৰ কোনো আইনগত কাৰ্যকাৰিতা নাথাকিব। বিবাহৰ এক সৰ্বনিম্ন বয়স নিৰ্ধাৰণ আৰু চৰকাৰী ৰেজিষ্ট্ৰীত বিবাহ পঞ্জীয়ন কৰা বাধ্যতামূলক কৰাৰ কাৰণে আইন প্ৰণয়নসহ প্ৰয়োজনীয় সকলো ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

## পঞ্চম ভাগ

**অনুচ্ছেদ ১৭**

১) প্ৰস্তুত চুক্তিখনৰ প্ৰয়োগৰ ক্ষেত্ৰত হোৱা প্ৰগতিৰ ওপৰত চকু ৰখাৰ উদ্দেশ্যে মহিলাৰ বিৰুদ্ধে বৈষম্যমূলক আচৰণ বিলোপকৰণ সমিতি (ইয়াৰ পিছত চমুকৈ ইয়াক সমিতি বোলা হ'ব)-ৰ গঠন কৰা হ'ব। আৰম্ভণীতে এই সমিতিৰ ১৮ জন সদস্য হ'ব। যেতিয়া ৩৫ সংখ্যক ৰাষ্ট্ৰ সদস্যই এই চুক্তিখন অনুমোদন বা প্ৰয়োগ কৰিব তেতিয়া সমিতিৰ সদস্য সংখ্যা হ'বগৈ ২৩। সমিতিৰ সদস্যসকল উচ্চ নৈতিকতা সম্পন্ন আৰু চুক্তিখনে সামৰি লোৱা বিষয়সমূহৰ বিশেষজ্ঞ হ'ব। সদস্য ৰাষ্ট্ৰই নিজৰ নাগৰিকৰ মাজৰ পৰা এই সদস্যসকলক নিৰ্বাচিত কৰিব। এই সদস্যই নিজস্ব ক্ষমতা অনুসাৰে নিজৰ সেৱা প্ৰদান কৰিব। সমিতিৰ সদস্যসকলৰ নিৰ্বাচনৰ ক্ষেত্ৰত ভৌগোলিক ক্ষেত্ৰসমূহৰ পৰা সমানভাৱে প্ৰতিনিধিত্ব সুনিশ্চিত কৰা হ'ব যাতে মুখ্য ন্যায়িক নীতিবোৰৰ সৈতে বিভিন্ন সভ্যতাৰ সমান অংশীদাৰীত্ব সুনিশ্চিত হৈ থাকে।



২) সদস্য ৰাষ্ট্ৰৰ দ্বাৰা মনোনীত ব্যক্তিসকলৰ তালিকাৰপৰা গোপন ভোটেৰে সমিতিৰ সদস্যসকলক নিৰ্বাচিত কৰা হ'ব। প্ৰত্যেক ৰাষ্ট্ৰই নিজৰ নাগৰিকৰ মাজৰ পৰা এজন লোকৰ নাম দিব পাৰে।

৩) প্ৰস্তুত চুক্তিখন কাৰ্যকৰী হোৱাৰ ছমাহৰ পিছত প্ৰাৰম্ভিক নিৰ্বাচন অনুষ্ঠিত হ'ব। প্ৰত্যেক নিৰ্বাচনৰ অতি কমেও তিনিমাহৰ আগেয়ে ৰাষ্ট্ৰসংঘৰ মহাসচিবে সদস্য ৰাষ্ট্ৰসমূহলৈ পত্ৰ প্ৰেৰণ কৰি দুমাহৰ ভিতৰত সদস্যৰ নাম মনোনীত কৰিবলৈ ক'ব। মহাসচিবে মনোনীত সদস্যসকলৰ তালিকা বৰ্ণানুক্ৰমিকভাৱে প্ৰস্তুত কৰিব। এই তালিকাত সদস্যৰ নামৰ সৈতে মনোনীত কৰা ৰাষ্ট্ৰৰ নামো উল্লেখ থাকিব। এই তালিকাখন চুক্তিখনৰ অধীন ৰাষ্ট্ৰসমূহক দাখিল কৰা হ'ব।

৪) ৰাষ্ট্ৰসংঘৰ মুখ্য কাৰ্যালয়ত মহাসচিবৰ দ্বাৰা আয়োজিত সদস্য ৰাষ্ট্ৰৰ বৈঠকত সমিতিখনৰ সদস্যসকলৰ নিৰ্বাচন অনুষ্ঠিত হ'ব। এই বৈঠকত সদস্য ৰাষ্ট্ৰসমূহৰ তিনিভাগৰ দুভাগৰ উপস্থিতিৰে ক'ৰাম (quorum) গঠিত হ'ব। সমিতিৰ সদস্য হিচাপে সেইসকল ব্যক্তিকে নিৰ্বাচিত

কৰা হ'ব যিসকলে সৰ্বাধিক ভোট পাইছে আৰু উপস্থিত সদস্য ৰাষ্ট্ৰ আৰু ভোট দিয়া প্ৰতিনিধিসকলৰ পৰাও পূৰ্ণ বহুমত লাভ কৰিছে।

৫) সমিতিৰ সদস্যসকলক চাৰি বছৰৰ কাৰণে নিৰ্বাচিত কৰা হ'ব। তথাপি প্ৰথম নিৰ্বাচনত নিৰ্বাচিত সদস্যৰ মাজৰ ৯ জন সদস্যৰ কাৰ্যকাল দুবছৰৰ পাছত শেষ হ'ব। প্ৰথম নিৰ্বাচনৰ ঠিক পিছতে এই ৯ জন সদস্যৰ নাম সমিতিৰ অধ্যক্ষৰ দ্বাৰা লটাৰীৰ যোগে বাচি লোৱা হ'ব।

৬) চুক্তিখনৰ ৩৫ সংখ্যক অনুমোদন বা প্ৰয়োগৰ পিছত অনুচ্ছেদ ২, ৩ আৰু ৪ৰ চৰ্ত অনুসৰি সমিতিৰ ৫ জন অতিৰিক্ত সদস্য নিৰ্বাচন কৰা হ'ব। এই ক্ষেত্ৰত নিৰ্বাচিত অতিৰিক্ত সদস্যসকলৰ পৰা দুজন সদস্যৰ কাৰ্যকাল দুবছৰৰ পিছত সমাপ্ত হ'ব। এই দুই সদস্যৰ নামৰ নিৰ্বাচন সমিতিৰ অধ্যক্ষই লটাৰীৰ যোগে কৰিব।

৭) সদস্যৰ আকস্মিক খালীপদ পূৰণৰ বাবে সদস্য ৰাষ্ট্ৰই নিজৰ নাগৰিকৰ মাজৰ পৰা সমকক্ষ দ্বিতীয় এগৰাকী বিশেষজ্ঞ সমিতিৰ অনুমোদন অনুসাৰে নিযুক্ত কৰিব।



৮) সাধাৰণ পৰিষদৰ অনুমতি অনুসাৰে ৰাষ্ট্ৰসংঘৰ অনুদানৰ পৰা সমিতিৰ সদস্যসকলে ভাট্টা লাভ কৰিব। সমিতিৰ দায়িত্বসমূহৰ মহত্বৰ প্ৰতি লক্ষ্য ৰাখি সাধাৰণ পৰিষদে সদস্যসকলৰ সেৱাৰ চৰ্ত আৰু অৱস্থা নিৰ্ধাৰিত কৰিব পাৰে।

৯) প্ৰস্তুত চুক্তিখনৰ অন্তৰ্গত সমিতিৰ কাৰ্য সম্পাদনাৰ সফলতাৰ বাবে প্ৰয়োজনীয় কৰ্মচাৰী আৰু সুযোগ-সুবিধা ৰাষ্ট্ৰসংঘৰ মহাসচিবে প্ৰদান কৰিব।

**অনুচ্ছেদ ১৮**

১) সদস্য ৰাষ্ট্ৰই প্ৰস্তুত চুক্তিখনৰ বিষয়সমূহক কাৰ্যকৰী কৰিবলৈ গ্ৰহণ কৰা আইনী, ন্যায়িক আৰু প্ৰশাসনিক তথা অন্য পদ্ধতিসমূহৰ প্ৰতিবেদন সমিতিৰ দ্বাৰা বিবেচনাৰ বাবে ৰাষ্ট্ৰসংঘৰ সচিবৰ ওচৰত দাখিল কৰিব। ইয়াৰ বাবে সময়সূচী হ'ব --

ক) সংশ্লিষ্ট ৰাষ্ট্ৰত চুক্তিখন কাৰ্যকৰী কৰাৰ এবছৰৰ ভিতৰত, আৰু

খ) ইয়াৰ পিছত অতি কমেও প্ৰত্যেক চাৰি বছৰত আৰু যেতিয়া সমিতিয়ে অনুৰোধ কৰিব তেতিয়া।

**অনুচ্ছেদ ১৯**

১) কমিটিয়ে কাৰ্যপ্ৰণালীত নিজৰ নিয়ম গ্ৰহণ কৰিব।

২) কমিটিয়ে ইয়াৰ বিষয়াসকলক দুবছৰৰ কাৰণে নিৰ্বাচিত কৰিব।

**অনুচ্ছেদ ২০**

১) প্ৰস্তুত চুক্তিখনৰ ১৮ সংখ্যক অনুচ্ছেদ অনুসৰি প্ৰগতি প্ৰতিবেদনৰ সমীক্ষাৰ বাবে সমিতি এবছৰত এখন সভাত বহিব। সাধাৰণতে এই সভা খুব বেছি দুসপ্তাহৰ বাবে হ'ব।

২) সাধাৰণতে সমিতিৰ সভা ৰাষ্ট্ৰসংঘৰ মুখ্য কাৰ্যালয়ত বা সমিতিয়ে নিৰ্ধাৰণ কৰা কোনো সুবিধাজনক স্থানত অনুষ্ঠিত হ'ব।

**অনুচ্ছেদ ২১**

১) এই সমিতিয়ে নিজৰ কাম সম্পৰ্কীয় বাৰ্ষিক প্ৰতিবেদন আৰ্থিক আৰু সামাজিক পৰিষদৰ মাধ্যমেৰে ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাত দাখিল কৰিব। এই ৰিপৰ্টত সমিতিয়ে নিজৰ সদস্য ৰাষ্ট্ৰৰ পৰা পোৱা ৰিপৰ্ট আৰু তথ্যৰ সমীক্ষা



কৰি নিজৰ পৰামৰ্শ আৰু চুপাৰিশো পঠাব পাৰে। যদি কোনো সদস্য ৰাষ্ট্ৰৰ পৰা এনে ধৰণৰ পৰামৰ্শ আৰু চুপাৰিশ আহে তেনেহ'লে সমিতিয়ে নিজৰ ৰিপৰ্টত সেয়া মতামতসহ অন্তৰ্ভুক্ত কৰিব।

২) ৰাষ্ট্ৰসংঘৰ মহা সচিবে এই ৰিপৰ্ট মহিলা অৱস্থিতি আয়োগৰ (Commission on the Status of Women) জ্ঞাতাৰ্থে প্ৰেৰণ কৰিব।

**অনুচ্ছেদ ২২**

প্ৰস্তুত চুক্তিখনৰ বিষয়সমূহৰ প্ৰয়োগৰ সমীক্ষা সম্পৰ্কীয় কামত কাৰ্যৰত বিশেষজ্ঞ সংস্থাসমূহৰ প্ৰতিনিধিত্ব কৰাৰ অধিকাৰ থাকিব। বিশেষজ্ঞ সংস্থাসমূহক তেওঁলোকৰ কাৰ্যপৰিধিৰ অন্তৰ্ভুক্ত চুক্তিখনৰ বিষয়সমূহৰ প্ৰয়োগৰ ওপৰত সমীক্ষাত্মক প্ৰতিবেদন দিবলৈ কমিটিয়ে আমন্ত্ৰণ কৰিব পাৰে।

## ষষ্ঠ ভাগ

**অনুচ্ছেদ** ২৩

এই চুক্তিৰ কোনো অংশই নাৰী পুৰুষৰ সম অধিকাৰ প্ৰাপ্তিত সহায় হোৱা কোনো ব্যৱস্থাক নেতিবাচকভাৱে প্ৰভাৱিত নকৰে। এই ব্যৱস্থাসমূহ থাকিব পাৰে --

ক) সদস্য ৰাষ্ট্ৰৰ আইনত বা

খ) সেই ৰাষ্ট্ৰসমূহত থকা অন্য আন্তৰ্জাতিক চুক্তি, সন্ধি বা চনদত।

**অনুচ্ছেদ** ২৪

১) প্ৰস্তুত চুক্তিখনত নিৰ্ধাৰিত অধিকাৰসমূহৰ পূৰ্ণ প্ৰাপ্তিৰ কাৰণে সদস্য ৰাষ্ট্ৰসমূহে ৰাষ্ট্ৰীয় স্তৰত সকলো প্ৰকাৰৰ আৱশ্যকীয় কৰ্মসূচী গ্ৰহণ কৰিব।

**অনুচ্ছেদ** ২৫

১) প্ৰস্তুত চুক্তিখন সকলো ৰাষ্ট্ৰৰ স্বাক্ষৰৰ বাবে মুকলি থাকিব।

২) ৰাষ্ট্ৰসংঘৰ মহাসচিবক প্ৰস্তুত চুক্তিখনৰ আমানতদাৰ হিচাপে অভিহিত কৰা হৈছে।



৩) প্ৰস্তুত চুক্তিখন অনুমোদনৰ কাৰণে মুকলি থাকিব। অনুমোদনৰ সৈতে জড়িত পত্ৰ ৰাষ্ট্ৰসংঘৰ মহাসচিবৰ ওচৰত জমা দিব পাৰিব।

৪) প্ৰস্তুত চুক্তিখনত সকলো ৰাষ্ট্ৰই ভাগ ল'ব পৰাকৈ মুকলি থাকিব। ৰাষ্ট্ৰসংঘৰ মহাসচিবৰ ওচৰত চুক্তিখনত ভাগ ল'বলৈ স্বীকৃতি পত্ৰ পঠোৱাৰ পিছতহে ভাগ ল'ব পাৰিব।

**অনুচ্ছেদ** ২৬

১) এই চুক্তিখন সংশোধন কৰিবলৈ যিকোনো সদস্য ৰাষ্ট্ৰই যিকোনো সময়ত অনুৰোধ কৰিব পাৰে। সংশোধন সম্বন্ধীয় অধিসূচনা লিখিত ৰূপত ৰাষ্ট্ৰসংঘৰ মহাসচিবলৈ পঠাব লাগিব।

২) এনে ধৰণৰ অনুৰোধৰ ওপৰত কোনো সিদ্ধান্ত ল'ব লগা থাকিলে সেয়া ৰাষ্ট্ৰসংঘৰ সাধাৰণ পৰিষদত লোৱা হ'ব।

**অনুচ্ছেদ** ২৭

১) চুক্তিখনৰ অনুমোদন তথা প্ৰয়োগৰ বাবে বিশ সংখ্যক

প্ৰপত্ৰ মহাসচিবৰ ওচৰ পোৱাৰ ত্ৰিশ দিনৰ পিছত চুক্তিখন কাৰ্যকৰী হ'ব।

২) প্ৰস্তুত চুক্তিখনৰ অনুমোদন তথা প্ৰয়োগৰ বাবে বিশ সংখ্যক প্ৰপত্ৰ পোৱাৰ পিছত যদি কোনো ৰাষ্ট্ৰই তাৰ অনুমোদন তথা প্ৰয়োগৰ বাবে প্ৰপত্ৰ প্ৰেৰণ কৰে তেন্তে তেওঁলোকৰ প্ৰপত্ৰ প্ৰস্তুত কৰাৰ ত্ৰিশ দিনৰ পিছত এই চুক্তি সেই ৰাষ্ট্ৰত প্ৰযোজ্য হ'ব।

**অনুচ্ছেদ** ২৮

১) এই চুক্তিৰ অনুমোদন তথা প্ৰয়োগৰ সময়ত ৰাষ্ট্ৰসমূহৰ নিজৰ সংৰক্ষণ সম্বলিত দস্তাবেজ ৰাষ্ট্ৰসংঘৰ মহাসচিবলৈ পঠোৱা হ'ব। তেওঁ তাক সকলো ৰাষ্ট্ৰৰ জ্ঞাতাৰ্থে বিতৰণ কৰিব।

২) যদি সংৰক্ষণসমূহ প্ৰস্তুত চুক্তিখনৰ উদ্দেশ্য আৰু প্ৰয়োজনৰ অনুকুল নহয় তেতিয়াহ'লে তাৰ অনুমতি দিয়া নহ'ব।

৩) যিকোনো সময়তে ৰাষ্ট্ৰসংঘৰ মহাসচিবলৈ অধিসূচনা প্ৰেৰণ কৰি নিজৰ সংৰক্ষণসমূহ বাতিল কৰিব পাৰিব। সংৰক্ষণসমূহ উঠাই লোৱাৰ পাছত ৰাষ্ট্ৰসংঘৰ মহাসচিবে সকলো ৰাষ্ট্ৰকে ইয়াৰ বিষয়ে অবগত কৰিব। এই ধৰণৰ অধিসূচনা যিদিনাৰ পৰা ৰাষ্ট্ৰসংঘৰ মহাসচিবে পাব সেইদিনাৰ পৰা প্ৰযোজ্য হোৱা বুলি মানি লোৱা হ'ব।



**অনুচ্ছেদ ২৯**

১) দুখন অথবা তাতোকৈ অধিক ৰাষ্ট্ৰৰ মাজত প্ৰস্তুত চুক্তিখনৰ ব্যাখ্যা বা প্ৰয়োগ সম্পৰ্কীয় কিবা বিবাদ সৃষ্টি হ'লে আৰু পাৰস্পৰিক বুজাবুজিৰে তাৰ সমাধান নহ'লে তাৰ মাজৰে কোনো এখন ৰাষ্ট্ৰৰ অনুৰোধত ইয়াক মধ্যস্ততাকাৰীৰ ওচৰলৈ পঠাব পাৰি। মধ্যস্ততাৰ অনুৰোধৰ ছমাহৰ ভিতৰত যদি ৰাষ্ট্ৰসমূহ একমত নহয় তেন্তে ইয়াৰ মাজৰ কোনো এখন ৰাষ্ট্ৰই ন্যায়ালয়ৰ সাংবিধানিক সহমতৰ অনুৰোধৰ সৈতে এই বিষয়টো আন্তৰ্জাতিক ন্যায়ালয়লৈ পঠিয়াব পাৰে।

২) প্ৰত্যেক সদস্য ৰাষ্ট্ৰই চুক্তিখনৰ অনুমোদন আৰু প্ৰয়োগত স্বাক্ষৰ কৰাৰ সময়ত এই কথা ঘোষণা কৰিব পাৰে যে এই অনুচ্ছেদৰ ১ নং পেৰাগ্ৰাফৰ বাধ্যতা স্বীকাৰ নকৰে। যদি কোনো সদস্য ৰাষ্ট্ৰই এইধৰণৰ সংৰক্ষণ ৰাখে তেন্তে অন্য সদস্য ৰাষ্ট্ৰ সেই পেৰাগ্ৰাফৰ বাধ্যবাধকতাত অন্তৰ্ভুক্ত নহয়।

৩) যদি কোনো সদস্য ৰাষ্ট্ৰই এই অনুচ্ছেদৰ ২নং পেৰেগ্ৰাফৰ ওপৰত সংৰক্ষণ ৰাখে তেন্তে সেই ৰাষ্ট্ৰই যিকোনো সময়ত ৰাষ্ট্ৰসংঘৰ মহাসচিবলৈ অধিসূচনা পঠাই নিজৰ সংৰক্ষণ ওভোতাই ল'ব পাৰে।

**অনুচ্ছেদ ৩০**

প্ৰস্তুত চুক্তিখনৰ আৰবী, চীনা, ইংৰাজী, ফৰাচী, ৰুছ আৰু স্পেনিশ ভাষাত প্ৰস্তুত কৰা পাঠ সমানৰূপত বিশ্বাসযোগ্য আৰু ইয়াক ৰাষ্ট্ৰসংঘৰ মহাসচিবৰ ওচৰত ৰখা হ'ব।

এই চুক্তিত সম্পূৰ্ণৰূপে প্ৰাধিকৃত নিম্ন হস্তাক্ষৰকাৰীয়ে সাক্ষীৰূপে স্বাক্ষৰ কৰিছে।